অধ্যায় ১০ ঃ বৃহৎসংহিতা (বাস্তুবিদ্যাধ্যায়) পাঠ্যাংশৰ আলোচনা (শ্লোক ঃ ২২-৪১)

অধ্যায় গাঁথনি

১০.১ উদ্দেশ্য

১০.২ পৰিচয়

১০.৩ বৃহৎসংহিতাৰ বাস্তুবিদ্যাধ্যায়ৰ (২২-৪১) শ্লোকসমূহৰ সংস্কৃত পাঠ

- ১০.৩.১ শ্লোকসমূহৰ গদ্যৰূপ
- ১০.৩.২ শ্লোকসমূহৰ শব্দার্থ
- ১০.৩.৩ শ্লোকসমূহৰ অসমীয়া অনুবাদ

১০.৪ ব্যাখ্যা

১০.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১০.৬ অধিক জানিবলৈ

১০.৭ অগ্রগতিৰ খতিয়ান

১০.৮ আৰ্হি প্ৰশ্ন

১০.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- বৃহৎসংহিতাৰ বাস্তুবিদ্যাধ্যায়ৰ (২২-৪১) শ্লোকসমূহৰ সংস্কৃত পাঠ অধ্যয়ন কৰিব পাৰিব
- শ্লোকসমূহৰ গদ্যৰূপ জানিব পাৰিব
- শ্লোকসমূহত থকা শব্দবোৰৰ অসমীয়া শব্দার্থ জানিব পাৰিব
- শ্লোকসমূহৰ অসমীয়া অনুবাদ অধ্যয়ন কৰিব পাৰিব
- কেইটামান শ্লোকৰ ব্যাখ্যা অধ্যয়ন কৰিব পাৰিব।

১০.২ পৰিচয়

আপুনি ইতিমধ্যে বৰাহমিহিৰ ৰচিত বৃহৎসংহিতা গ্ৰন্থৰ বিষয়বস্তুৰ চমু আভাস লাভ কৰিছে। গ্ৰন্থখনৰ বাস্তুবিদ্যাধ্যায়ৰ বিষয়েও কিঞ্চিৎ জ্ঞান লাভ কৰিছে। এই অধ্যায়টিত বাস্তুবিদ্যা নামৰ অধ্যায়টিৰ ২২-৪১ নং শ্লোকসমূহত বৰ্ণিত বিষয়বস্তুৰ লগত পৰিচিত হ'ব পাৰিব। ৰজা, মন্ত্ৰীকে আদি কৰি চাৰ্তুবৰ্ণ্যৰ ঘৰৰ উচ্চতা; দুৱাৰৰ উচ্চতা, ডাঠ, বিস্তাৰ; শাখা, উড়ুম্বৰ আদিৰ জোখ; বিভিন্ন প্ৰকাৰৰ স্তম্ভৰ বিৱৰণ; দ্বিশাল, ত্ৰিশাল, শাল আদি বাস্তুৰ বিশদ বৰ্ণনা, সৰ্বতোভদ্ৰ আদি পাঁচ প্ৰকাৰৰ ঘৰৰ বৰ্ণনা এই অধ্যায়ত পঢ়িবলৈ পাব। আলোচ্য অধ্যায়টিত বৃহৎসংহিতাৰ

বাস্তুবিদ্যাধ্যায়ৰ ২২-৪১ নং শ্লোকসমূহৰ সংস্কৃত পাঠ, শ্লোকসমূহৰ গদ্যৰূপ, সংস্কৃত শব্দবোৰৰ অসমীয়া অর্থ, অসমীয়া অনুবাদ, কিছুমান গুৰুত্বপূর্ণ শ্লোকৰ ব্যাখ্যা আগবঢ়োৱা হৈছে। এই অধ্যায়টি অধ্যয়ন কৰি আপুনি বাস্তুবিদ্যাৰ বিষয়ে বহুতো কথা জানিব পাৰিব।

১০.৩ বৃহৎসংহিতাৰ বাস্তুবিদ্যাধ্যায়ৰ ২২-৪১ শ্লোকসমূহৰ সংস্কৃত পাঠ

এই অংশত বাস্তুবিদ্যাধ্যায়ৰ ২২-৪১ শ্লোকৰ সংস্কৃত পাঠ আগবঢ়োৱা হৈছে—

ৱিস্তাৰযোড় শাংশঃ সচতুর্হস্তো ভৱেদ্‌গৃহোচ্ছ্রায়ঃ ।
দ্বাদশভাগেনেনো ভূমৌ ভূমৌ সমস্তানাম্ ।।২২।।
ব্যাসাৎ ষোড়শভাগঃ সর্ৱেষাং সদ্মনাং ভৱতি ভিত্তিঃ।
পক্কেষ্টকাকৃতানাং দাৰুকৃতানাং তু ন ৱিকল্পঃ ।।২৩।।
একাদশভাগযুতঃ সসপ্ততির্নৃপবলেশয়োর্ব্যাস ঃ।
উচ্ছ্রাযোহঙ্গুলতুল্যো দ্বাৰস্যার্ধেন বিষ্কম্ভঃ ।।২৪।।
ৱিপ্রাদীনাং ব্যাসাৎ পঞ্চাংশোহষ্টাদশাঙ্গুলসমেতঃ।
সাষ্টাংশো ৱিষ্কম্ভো দ্বাৰস্য ত্রিগুণ উচ্ছ্রায়ঃ ।।২৫।।
উচ্ছ্রায়হস্তসংখ্যা পৰিমাণান্যঙ্গুলানি বাহুল্যম্।
শাখাদ্বয়েহপি কার্য্যং সার্ধং তৎ স্যাদুদুম্বৰয়ো।।২৬।।
উচ্ছ্রায়াৎসপ্তগুণাদশীতিভাগঃ পৃথুত্বেমেতেষাম্।
নৱগুণিতেহশীত্যংশঃ স্তম্ভস্য দশাংশহীনোহগ্রে।।২৭।।
সমচতুৰস্রো ৰুচকো ৰজ্রোহষ্টাশ্রির্দ্বিৰজ্রকো দ্বিগুণঃ।
দ্বাত্রিংশতা তু মধ্যে প্রলীনকো বৃত্ত ইতি বৃত্তঃ ।।২৮।।
স্তম্ভং ৱিভজ্য নৱধা ৱহনং ভাগো ঘটোহস্য ভাগোহন্যঃ।
পদ্মমং তথোত্তৰোষ্ঠং কুর্য্যাদ্ ভাগেন ভাগেন।।২৯।।
স্তম্ভসমং বাহুল্যং ভাৰতুলানামু পর্যুপর্যাসাম্।
ভৱতি তুলোপতুলানামূনং পাদেন পাদেন।। ৩০।।
অপ্রতিষিদ্ধলিন্দং সমন্ততো ৱাস্তু সর্ৱতোভদ্রম্।
নৃপৱিবোধসমূহানাং কার্য্যং দ্বাৱৈশ্চতুর্ভিৰপি।। ৩১।।
নন্দ্যাৱর্তমনিন্দৈঃ শালাকুণ্ড্যাত্ প্রদক্ষিণান্ত গতৈঃ।
দ্বাৰং পশ্চিমমস্মিন্ ৱিহায় শেষাণি কার্য্যণি।। ৩২।।
দ্বাৰালিন্দোহন্তগডঃ প্রদক্ষিণোহন্যঃ শুভস্ততশ্চান্যঃ।
তস্মিংশ্চ বর্ধমানে দ্বাৰং তু ন দক্ষিণং কার্যম্।। ৩৩।।
অপৰোহন্তগতোহনিন্দঃ প্রাগন্তগতৌ তদুত্থিতৌ চান্যৌ।
তদৱধিৱিধৃতশ্চান্যঃ প্রাগ্‌দ্বাৰং স্বস্তিকে শুভদম্ ।। ৩৪।।
প্রাক্‌পশ্চিমাৱলিন্দাৱল্ড গতৌ তদৱধিস্থিতৌ শেষৌ।

ৰুচকে দ্বাৰং ন শুভদমুত্তৰতোহন্যানি শস্তানি ।। ৩৫।।
শ্রেষ্ঠং নন্দ্যাৱর্তং সর্ৱেষাং বর্ধমানসং চ।
স্বস্তিকৰুচকে মধ্যে শেষব শুভদং নৃপাদীনাম্ ।। ৩৬।।
উত্তৰশালাহীনং হিৰণ্যনাভং ত্রিশালকং ধন্যম্।
প্রাক্শালয়া বিযুক্তং সুক্ষেত্রং বৃদ্ধিদং ৱাস্তু।। ৩৭।।
যাম্যাহীনং চুল্লী ত্রিশালকং ৱিত্তনাশকৰমেতত্।
পক্ষঘ্নমপৰয়া ৱর্জিতং সুতধ্বংসৱৈৰকৰম্ ।। ৩৮।।
সিদ্ধার্থমপৰয়াম্যে যমসূর্যং পশ্চিমোত্তৰে শালে।
দণ্ডাখ্যমুদক্পূর্ৱে ৱাতাখ্যং প্রাগ্যুতা যাম্যা ।। ৩৯।।
পূর্ৱাপৰে তু শালে গৃহচুল্লী দক্ষিণোত্তৰে কাচম্।
সিদ্ধার্থেহর্থাৱাপ্তির্যমসূর্যে গৃহপতের্মৃত্যুঃ ।। ৪০।।
দণ্ডৱধো দণ্ডাখ্যে কলহোদ্বেগঃ সদৈৱ ৱাতাখ্যে।
ৱিত্তৱিনাশ শচুল্ল্যাং জ্ঞাতিৱিৰোধঃ স্মৃতঃ কাচে ।। ৪১।।

১০.৩.১ বৃহৎসংহিতাৰ বাস্তুবিদ্যাধ্যায়ৰ ২২-৪১ শ্লোকৰ গদ্যৰূপ

ৱিস্তাৰাৎ ষোড়শাংশঃ সচতুর্হস্তঃ গৃহঃ উচ্ছ্রায়ঃ ভৱেৎ, দ্বাদশভাগেন ঊনঃ ভূমৌ ভূমৌ সমস্তানাম।। ২২।।

পক্ক ইষ্টকা কৃতানাং সর্ৱেষাং সমনাং ভিত্তিঃ ৱ্যাসাৎ ষোড়শভাগঃ ভৱতি, দাৰুকৃতানাং তু ন ৱিকল্পঃ ।। ২৩।।

নৃপবলে শয়োঃ ৱ্যাসঃ একাদশভাগযুতঃ সসপ্ততি অঙ্গুলতুল্যঃ দ্বাসস্য উচ্ছ্রায় (ভৱতি), অর্ধেন ৱিষ্কম্ভঃ ।। ২৪।।

ৱিপ্রাদীনাং ৱ্যাসাৎ পঞ্চাংশঃ অষ্টাদশআঙ্গুন-সমেতঃ সাষ্টাংশঃ দ্বাসস্য বিস্কম্ভঃ, (ৱিষ্কম্ভস্য) ত্রিগুণঃ (দ্বাৰস্য) উচ্ছ্রায়ঃ ।। ২৫।।

উচ্ছ্রায় হস্তসংখ্যাপৰিমাণনি অঙ্গুলানি শাখাদ্বয়ঃ অপি বাহুল্যম্, সার্ধং কার্য্যং তৎ উদুম্বৰয়োঃ (বাহুল্যং) স্যাৎ ।। ২৬।।

উচ্ছ্রায়াৎ সপ্তগুণাৎ অশীতিভাগঃ এতেষাং পৃথুত্বম্, স্তম্ভস্য (উচ্ছ্রায়াৎ) নৱগুণিতঃ অশীতি অংশঃ অগ্রে দশাংশহীঃ ।। ২৭।।

মধ্যে সমচতুঃ অপ্র ৰুচক ঃ, অষ্ট অস্রি ঃ বজ্র, দ্বিগুণঃ দ্ববজ্রকঃ, দ্বাত্রিংশতা তু প্রলীনকঃ, বৃত্ত ইতি বৃত্তঃ ।। ২৮।।

স্তম্ভং নৱধা ৱিভজ্য অস্য ভাগঃ ৱহনং, অন্য ভাগ ঃ ঘট ঃ, ভাগেন পদ্মং তথা ভাগেন উত্তৰোষ্ঠং কুর্য্যাৎ।। ২৯।।

স্তম্ভসমং বাহুল্যং ভাৰতুলাম্ উপৰি উপৰি আসাং ভৱতি, তুলা উপতুলানাম্ উনং পাদেন পাদেন ।। ৩০।।

সমস্ততঃ অপ্রতিষিদ্ধ অলিন্দং বাস্তু সর্বতোভদ্রম্, চর্তুভিঃ অপি দ্বাৰৈ ঃ নৃপবিবুধ-সমূহানাং কার্য্যম ।। ৩১ ।।

শালাকুড্যাৎ অন্তগতৈঃ প্রদক্ষিণ অলিন্দৈঃ নন্দ্যাবর্তম্। অস্মিন্ পশ্চিমং দ্বাৰং বিহায় শেষাণি কার্য্যাণি।। ৩২।।

দ্বাৰ অনিন্দঃ অন্তগতঃ প্রদক্ষিণঃ অন্যঃ, শুভঃ তদ্ অন্যঃ, তস্মিন্ চ বর্ধমানঃ। দক্ষিণং দ্বাৰংতুন কার্য্যম্।। ৩৩।।

স্বস্তিকে অপৰঃ অন্তগত অলিন্দঃ, তৎ উত্থিতৌ চ অন্যৌ প্রাক অন্তগতৌ। তৎ অৱধি ৱিধৃতঃ চ অন্যঃ। প্রাক্ দ্বাৰং শুভদম্ ।। ৩৪।।

ৰ্চকে প্রাক্পশ্চিমৌ অলিন্দৌ অন্তগতৌ, শেৰী তৎ অৱধিস্থিতৌ চ, (ৰ্চকে) উত্তৰতঃ দ্বাৰং ন শুভদম্। অন্যানি শস্তানি।। ৩৫।।

নন্দ্যাবর্তং বর্ধমানং চ সর্ৱেষাং শ্রেষ্ঠম্,

স্বস্তিকৰ্চকে মধ্যে, শেষং নৃপাদীনাং শুভদম্ ।। ৩৫।।

উত্তৰশালাহীনং ত্রিশালকং হিৰণ্যনাভং ধন্যম্, প্রাক্শালয়া বিযুক্তং সুক্ষেত্রম্, ইদং বাস্তু বৃদ্ধি (ভৱতি) ।। ৩৭।।

য়াম্যাহীনং ত্রিশালকং চুল্লী, এতৎ বিত্তনাশকৰম্। অপৰয়া বর্জিতং পক্ষঘ্নং সুতধ্বংসৱৈৰকম্ (ভৱতি) ।। ৩৮।।

(দ্বিশালবাস্তু) অপৰযাম্যে (শালে) সির্দ্ধাথম্, পশ্চিমোত্তৰে শালে যমসূর্য্য, উদক্পূর্বে দণ্ডাখ্যম্, প্রাগ্যুতা যাম্যা বাতাখ্যান্, পূর্বাপৰে তু শালে গৃহচুল্লী, দক্ষিণোত্তৰে কাচম্ সিদ্ধার্থে অর্থাব্যাপ্তিঃ, যমসূর্য্যে গৃহপতেঃ মৃত্যুঃ, দণ্ডাখ্যে দণ্ডবধঃ, বাতাথ্যে সদৈৱ কলহ উদ্বেগঃ, চুল্ল্যাং বিত্তবিনাশঃ কাচে জ্ঞাতিবিৰোধঃ স্মৃতঃ।। ৩৯, ৪০,৪১।।

১০.৩.২ শ্লোকসমূহৰ শব্দার্থ

এই অংশত আপুনি ওপৰত উল্লেখ কৰা শ্লোকসমূহৰ শব্দার্থ জানিব পাৰিব—

২২ নং শ্লোক - বিস্তাৰাৎ (বিস্তাৰৰ বা বহলৰ) ষোড়শাংশ (ষোল্ল ভাগৰ এক অংশ) সচতুর্হস্ত (চাৰি হাত সমন্বিতে) গৃহ উচ্ছ্রায় (ঘৰৰ উচ্চতা) ভৱেৎ (হোৱা উচিত); দ্বাদশভাগেন উনঃ (বাৰ ভাগ কম কৰি অথবা বাৰ ভাগ বাদ দি) ভূমৌ ভূমৌ ([ভৱনৰ] বাকী মহলা বোৰৰ) সমস্তানাম্ [সকলোবোৰৰে] ।

২৩ নং শ্লোক - পক্ক ইষ্টকা (পোৰা ইটাৰে) কৃতানাং (সজা বা কৰা) সর্ৱেষাং (সকলোবোৰ) সমনাং (ঘৰৰ) ভিত্তিঃ (বেৰ) ব্যাসাৎ (বিস্তাৰৰ) ষোড়শভাগ (ষোল্ল ভাগৰ এভাগ) ভৱতি (হয়) দাৰুকৃত্তানাং (কাঠেৰে নির্মিত (ঘৰ) সমূহৰ) তু (আনহাতে) ন বিকল্পঃ (বিকল্প বা নির্দিষ্ট জোখ নাই)।

২৪ নং শ্লোক - নৃপবলেশয়োঃ [ৰজা আৰু সেনাপতি (প্ৰত্যেকৰে বেলেগে বেলেগে)] ব্যাসঃ (বিস্তাৰৰ) একাদশভাগযুতঃ [এঘাৰ ভাগৰ এভাগ (বিস্তাৰৰ লগত) যোগ কৰি] সসপ্ততি [(লগত) সত্তৰ যোগ কৰি] অঙ্গুলতুল্য [(যিমান হ'ব) আঙুলিসমান] দ্বাৰস্য (দুৱাৰৰ উচ্ছ্ৰায় (ভৱতি) (উচ্চতা হ'ব), অৰ্ধেন [(তাৰ) আধা) বিষ্কম্ভঃ (দুৱাৰৰ প্ৰস্থ হ'ব)।

২৫ নং শ্লোক - বিপ্ৰাদীনাং (ব্ৰাহ্মণ আদি চাৰিবৰ্ণৰ) ব্যাসাৎ [(ঘৰৰ) ব্যাসৰ] পঞ্চাশঃ (পাঁচভাগৰ এক অংশ) অষ্টাদশ আঙ্গুলসমেতঃ (ওঠৰ আঙুলি যোগ কৰি) সাষ্টাংশঃ [(যি যোগ হ'ব তাৰ) আঠ ভাগৰ এক অংশ] দ্বাৰস্য [(ব্ৰাহ্মণ আদি চাৰি বৰ্ণৰ) দুৱাৰৰ] বিষ্কম্ভঃ (ব্যাস হ'ব), (বিষ্কম্ভস্য) ত্ৰিগুণঃ [(বিষ্কম্ভ বা ব্যাসৰ) তিনিগুণ], উচ্ছ্ৰায়ঃ (উচ্চতা হ'ব)।

২৬ নং শ্লোক - উচ্ছ্ৰায় (উচ্চতা) হস্তসংখ্যা— পৰিমাণানি (যিমান হাত সিমান) অঙ্কুলানি (আঙুলি) শাখাদ্বয়ঃ অপি [(দুৱাৰৰ) চৌকাঠ দুটাৰ] বাহুল্যম্ (ব্যাস বা বিস্তাৰ বা ডাঠ), সার্ধং কার্য্যং (তাৰ ডেড়ভাগ কৰি) তৎ (তাৰ অর্থাৎ চৌকাঠৰ) উদুম্বৰয়োঃ সাৎ (দুৱাৰমুখ বা দুৱাৰ-ডলিৰ বিস্তাৰ হ'ব লাগে)।

২৭ নং শ্লোক - উচ্ছ্ৰায়াৎ [(দুৱাৰৰ) উচ্চতাৰ] সপ্তগুণাৎ (সাত গুণ কৰি) অশীতিভাগ ঃ (আশী ভাগ কৰিলে) এতেষাং (এইবোৰৰ অর্থাৎ শাখা আৰু উডুম্বৰৰ) পৃথুত্বম্ (বিস্তাৰ হ'ব), স্তম্ভস্য (স্তম্বৰ (বিস্তাৰ)] নৱ গুণিতঃ [(উচ্চতাক) ন ৰে পুৰণ কৰি] অশীতি অংশঃ (আশীৰে হৰণ কৰিব লাগে), অগ্রে (ওপৰ অংশ) দশাংশহীনঃ (দহেৰে হৰণ কৰি বিয়োগ কৰিব লাগে।

২৮ নং শ্লোক - মধ্যে [(এটা স্তম্ভৰ) মাজ অংশ] সমচতুঃ অস্র (চাৰিটা সমান কোণ অর্থাৎ বর্গাকাৰ) ৰুচকঃ [(সেই স্তম্ভৰ নাম) ৰুচক), অষ্ট অস্রিঃ (আঠটা) কোণ থাকিলে) বজ্র (বজ্র), দ্বিগুণঃ [(বজ্রৰ) দ্বিগুণ হ'লে) দ্বিবজ্রক (দ্বিবজ্রক), দ্বাত্রিংশতা তু (আনহাতে বত্রিশটা কোণযুক্ত হ'লে) প্রলীনক ঃ (প্রলীনকঃ), বৃত্ত ইতি বৃত্তঃ (বৃত্তাকাৰ হ'লে সেই স্তম্ভৰ নাম বৃত্ত হয়)।

২৯ নং শ্লোক - স্তম্ভং (স্তম্ভ এটাক) নৱধা ৱিভজ্য [(মাটিৰ পৰা আৰম্ভ কৰি একেবাৰে ওপৰলৈ) ন ভাগত সমানে ভাগ কৰি] অস্য ভাগঃ ৱহনং [(একেবাৰে তলৰ ভাগ) ইয়াৰ অর্থাৎ স্তম্ভৰ তলৰ ভাগৰ নাম বহন) অন্য ভাগঃ ঘটঃ (আনটো ভাগ হ'ল ঘট অর্থাৎ বহনৰ ঠিক ওপৰৰ ভাগৰ নাম ঘট) ভাগেন পদ্মং (একেবাৰে ওপৰৰ পৰা অষ্টম ভাগৰ নাম পদ্ম)

ভাগেন উত্তৰোষ্ঠং কুর্য্যাৎ (পদ্মৰ ওপৰৰ ভাগৰ নাম উত্তৰোষ্ঠম্)।

৩০ নং শ্লোক - স্তম্ভসমং (স্তম্ভৰ সমান) বাহুল্যং ভাৰতুলাম্ (ভাৰতুলা বা চ'তি বা ধাম) উপৰি উপৰি আসাং ভৱতি (ইয়াৰ ওপৰত যিবোৰ হ'ব) তুলা (তুলা) উপতুলা (উপতুলা) অমূনং পাদেন পাদেন (ক্ৰমে চাৰি ভাগৰ এভাগ কম হ'ব বিস্তাৰ)।

৩১ নং শ্লোক - সমন্ততঃ (চাৰিওফালে) অপ্রতিষিদ্ধ (অখণ্ডিত) অলিন্দং (বাৰান্দা) বাস্তু (বাসগৃহ) সর্বতোভদ্রম্ (ভৱতি) (সর্বতোভদ্র), চতুর্ভিঃ অপি দ্বাৰৈঃ (চাৰিখন দুৱাৰেৰে সৈতে) নৃপবিবুধসমূহানাং (ৰজা তথা দেৱতাসকলৰ বাবে) কার্য্যম্ (মঙ্গলজনক হয়)।



কুড্য — বেৰ
শালা — কোঠালী, গৃহ

৩২ নং শ্লোক - **শালাকুড্যাৎ** অন্তর্গতৈঃ (কোঠালীৰ বেৰৰ পৰা আৰম্ভ হোৱা) প্রদক্ষিণ (প্রদক্ষিণ ক্রমানুসৰি) অলিন্দৈঃ (বাৰান্দাৰে সৈতে) নন্দাৱর্তম্ (নন্দ্যাবর্ত বাস্তু), অস্মিন্ (এনেধৰণৰ ঘৰত) পশ্চিমং দ্বাৰং বিহায় পশ্চিম দিশৰ দুৱাৰখন ঋন বাদ দি শেষাণি কার্য্যাণি (আন কেইটা দিশত দুৱাৰ দিয়া উচিত।

৩৩ নং শ্লোক - দ্বাৰ অলিন্দঃ অন্তর্গতঃ (মূল গৃহৰ দুৱাৰৰ পৰা আৰম্ভ হোৱা বাৰান্দা) প্রদক্ষিণঃ অন্যঃ (অন্য অর্থাৎ দ্বিতীয় বাৰান্দাখন প্রদক্ষিণ ক্রমত) শুভ তদ্ অন্যঃ (অন্য অর্থাৎ তৃতীয় এখন সুন্দৰ বাৰান্দা প্রদক্ষিণ ক্রমত), তস্মিন্ (সেই গৃহ) চ বর্ধমানঃ (বর্ধমান বাস্তু নামেৰে জনা যায়)। দক্ষিণং দ্বাৰং তু ন কার্য্যম্ (কিন্তু সেই বস্তুৰ দক্ষিণদিশৰ দুৱাৰ নাথাকে।]



অপৰ — পশ্চিম দিশ

৩৪ নং শ্লোক - স্বস্তিকে (স্বস্তিক নামৰ বাস্তুত) **অপৰ** অন্তর্গতঃ অলিন্দঃ (পশ্চিম দিশৰ পৰা আৰম্ভ হয় বাৰান্দা), তৎ উত্থিতৌ (তাৰ পৰা আৰম্ভ হয়) চ অন্যৌ (অন্য দুখন বাৰান্দা প্রাক অন্তর্গতৌ (পূবদিশত সংলগ্ন হয়), তৎ অৱধি বিধৃতঃ অন্যঃ (অন্য এখন অর্থাৎ চতুর্থখন বাৰান্দা দুয়োখন বাৰান্দাৰ সীমাৰ মাজত হয়)। প্রাক্ দ্বাৰং শুভদম্ [(এই বাস্তুৰ) পূর্বদিশত দুৱাৰ থাকিলে শুভ হয়)]।

৩৫ নং শ্লোক - ৰুচকে (ৰুচক নামৰ বাস্তুত) প্রাক্পশ্চিমৌ (পৰ আৰু পশ্চিম) অলিন্দৌ (দুখন বাৰান্দা) অন্তর্গতৌ [সংলগ্ন হয় (দক্ষিণ আৰু উত্তৰ দিশত)] শেষৌ তৎ (শেষৰ দুখন) তৎ (তাৰ) অৱধি [(দুয়োখন বাৰান্দাৰ সীমাত) বা মাজত)] স্থিতৌ (অৱস্থিত) উত্তৰতঃ (উত্তৰ দিশে) দ্বাৰং (দুৱাৰ থকাটো) ন শুভদম (মঙ্গলজনক নহয়)। অন্যানি শস্তানি (বাকীবোৰ শুভ)।

৩৬ নং শ্লোক - নন্দ্যাবর্তং (নন্দ্যাবর্ত) বর্ধমানং চ (আৰু বর্ধমান বাস্তু) সর্ৱেষাং শ্রেষ্ঠম্

(সকলোৰে বাবে আটাইতকৈ ভাল), স্বস্তিকৰুচকে (স্বস্তিক আৰু ৰুচক বাস্তু) মধ্যে (মধ্যম), শেষং (বাকী বাস্তু অর্থাৎ সর্বতোভদ্র বাস্তু নৃপাদীনাং (ৰজা, মন্ত্রী আদিৰ বাবে) শুভদম্ (শুভজনক)।

৩৭ নং শ্লোক - উত্তৰশালাহীনং (উত্তৰ দিশত কোনো ঘৰ নথকা) ত্রিশালকং (তিনি দিশত ঘৰ থকা অর্থাৎ ত্রিশাল বাস্তু) হিৰণ্যনাভং (হিৰণ্যনাভ নামৰ বাস্তু) ধন্যম্ (সৌভাগ্যজনক), প্রাক্ শালয়াবিযুক্তং (পূব দিশত ঘৰ নথকা বাস্তু) সুক্ষেত্রম (সুক্ষেত্র নামেৰে জনা যায়), ইদং বাস্তু (এই বাস্তু) বৃদ্ধি (ভৰতি) (বৃদ্ধিকাৰক অর্থাৎ পুত্র, ধন আদিৰ বৃদ্ধি হয়)।

৩৮ নং শ্লোক - **যাম্যা**হীনং [(ত্রিশাল বাস্তুৰ) দক্ষিণ দিশত যদি বাস্তু বা গৃহ নাথাকে] ত্রিশানকং (ত্রিশাল বাস্তুৰ) চুল্লী (চুল্লী), এতৎ (এই বাস্তু) বিত্তনাশকৰম্ (ধনহীন কৰি তোলে)। অপৰায় (পশ্চিম দিশত) [(ঘৰ) নাথাকিলে] পক্ষঘ্নং (পক্ষঘ্ন বাস্তু বুলি কোৱা হয়), সুতধ্বংস-বৈৰকম্ (সন্তানৰ নাশৰ কাৰণ অথবা সন্তানৰ শত্রু থাকে)।



যাম্যা — দক্ষিণ

৩৯, ৪০, ৪১ নং শ্লোক - (দ্বিশালবাস্তুৰ) অপৰযাম্যে (পশ্চিম আৰু দক্ষিণ দিশত যদি বাস্তু থাকে) সিদ্ধার্থম [(সেই বাস্তুক) সিদ্ধার্থ বুলি কোৱা হয়], পশ্চিমোত্তৰে শালে (পশ্চিম আৰু উত্তৰ দিশত গৃহ নির্মাণ কৰিলে) যমসূর্য (যমসূর্য্য), উদক্পূর্বে (উত্তৰ আৰু পূৱদিশত হ'লে) দণ্ড (দণ্ডাখ্যম্), প্রাগ্যুতা যাম্যা (পূব আৰু দক্ষিণ দিশত হ'লে) বাতাখ্যম্ (বাত বুলি কোৱা হয়), পূর্বপৰে তু শালে (আনহাতে পূৱ আৰু পশ্চিম দিশত ঘৰ থাকিলে) গৃহচুল্লী বুলি কোৱা হয়), দক্ষিণোত্তৰে (দক্ষিণ আৰু উত্তৰ দিশত থাকিলে) কাচম্ (কাচ বুলি কোৱা হয়)। সির্দ্ধার্থে [সিদ্ধার্থ নামৰ (দ্বিশাল বাস্তুত বাস কৰিলে)] অর্থ অবাপ্তিঃ (অর্থ লাভ হয়), যমসূর্য্যে (যমসূর্য্যত) গৃহপতেঃ (গৃহস্বামী অর্থাৎ ঘৰৰ গৰাকীৰ) মৃত্যুঃ (মৃত্যু হয়), দণ্ডাখ্যে (দণ্ড নামৰ বাস্তুত) দণ্ডবধঃ (ঘৰৰ গৰাকীৰ দণ্ড বা বধ হয়), বাতাখ্যে (বাত নামৰ বাস্তুত) সদৈৰ (সদায়েই) কলহ (কাজিয়া) উদ্বেগঃ (উদ্বেগ অর্থাৎ মানসিক অশান্তি), চুল্ল্যাং (চুল্লীত) বিত্তবিনাশঃ (অর্থ হানি হয়); কাচে (কাচত) জ্ঞাতিবিৰোধঃ (আত্মীয়-স্বজনৰ লগত বিৰোধ) স্মৃতঃ (ধাৰণা কৰা হয়)।

১০.৩.৩ শ্লোকসমূহৰ অসমীয়া অনুবাদ

২২ নং শ্লোক - (কেইবামহলীয়া) ঘৰৰ প্রথম মহলাৰ উচ্চতা ঘৰৰ বিস্তাৰৰ ষোল্লভাগৰ এক ভাগৰ লগত চাৰিহাত যোগ কৰিলে যিমান হাত

হ'ব সিমান হ'ব লাগে। বাকী মহলাবোৰৰ উচ্চতা ক্ৰমে পূৰ্বৱৰ্তী মহলাবোৰৰ বাৰ ভাগৰ একভাগ কৈ কমিব।

[উদাহৰণ— ৰজাৰ ঘৰৰ (উত্তম গৃহৰ) বিস্তাৰ ১০৮ হাত। উচ্চতা হ'ব — $\frac{১০৮}{১৬}$ +৪=১০হাত ১৮ আঙুলি]

২৩ নং শ্লোক - পোৰা ইটাৰে বনোৱা সকলোবোৰ ঘৰৰে দুৱাৰৰ (উচ্চতা) জোখ (সেই ঘৰৰ) বিস্তাৰৰ যোল্ল ভাগৰ এভাগ হ'ব লাগে। কাঠেৰে নিৰ্মিত ঘৰৰ (দুৱাৰৰ) কোনো নিৰ্দিষ্ট জোখ নাই।

২৪ নং শ্লোক - ৰজা আৰু সেনাপতিৰ ঘৰৰ বিস্তাৰৰ (প্ৰত্যেকৰে বিস্তাৰৰ বেলেগে লৈ) এঘাৰ ভাগৰ এভাগৰ লগত সত্তৰ যোগ কৰিলে যিমান সংখ্যা ওলাব সিমান সংখ্যক আঙুলি (হিচাপত লৈ) দুৱাৰৰ উচ্চতা হ'ব। উচ্চতাৰ আধা সংখ্যক (আঙুলি হিচাপত) হ'ব দুৱাৰৰ প্ৰস্থ।

২৫ নং শ্লোক - ব্ৰাহ্মণ আদি চাৰিবৰ্ণৰ ঘৰৰ বিস্তাৰৰ পাঁচভাগৰ এক অংশৰ লগত ওঠৰ আঙুলি যোগ কৰি যি যোগফল পোৱা যাব তাৰ আঠ ভাগৰ এক অংশৰ সমানেই হ'ব (ব্ৰাহ্মণ আদি চাৰি বৰ্ণৰ ঘৰৰ) দুৱাৰৰ ব্যাস, ব্যাসৰ তিনিগুণ হ'ব (দুৱাৰৰ) উচ্চতা।

২৬ নং শ্লোক - (ৰজা আদিৰ ঘৰৰ) উচ্চতা যিমান হাত সিমান সংখ্যক আঙুলি পৰিমাণেই হ'ল দুৱাৰৰ চৌকাঠ (two side-frames) ঘনত্ব, তাৰ (চৌকাঠৰ) ডেৰভাগেই হ'ল দুৱাৰ-মুখ বা দুৱাৰ-ডলিৰ ঘনত্ব।

২৭ নং শ্লোক - (ৰজা আদিৰ ঘৰৰ) দুৱাৰৰ উচ্চতাক সাত গুণ কৰি (সেই গুণফলক) আশীৰে হৰণ কৰিলে যি ভাগফল পোৱা যাব সেয়া হ'ব এইবোৰৰ (শাখাদ্বয় আৰু উড়ুম্বৰৰ মানে চৌকাঠ আৰু দুৱাৰডলিৰ) বিস্তাৰ, স্তম্ভ এটাৰ উচ্চতাক ন ৰে পূৰণ কৰি (পূৰণফলক) আশীৰে ভাগ কৰিলে যি ভাগফল পোৱা যাব সেয়া হ'ব স্তম্ভৰ একেবাৰে তলৰ অংশৰ বিস্তাৰ, (এই বিস্তাৰৰ পৰা) দহ ভাগৰ এক অংশ বাদ দিলে যি ফল পোৱা যাব সেয়া হ'ব স্তম্ভৰ তলৰ অংশৰ বিস্তাৰ।

২৮ নং শ্লোক - (স্তম্ভ এটাৰ) মাজ অংশ চাৰিটা সমকোণ তুল্য অৰ্থাৎ বৰ্গাকাৰ হ'লে সেই স্তম্ভৰ নাম হয় ৰুচক, আঠোটা কোণযুক্ত হ'লে বজ্ৰ, বজ্ৰৰ দুগুণ কোণযুক্ত হ'লে দ্বিবজ্ৰ, বত্ৰিশটা কোণযুক্ত হ'লে প্ৰলীনক আৰু বৃত্তাকাৰ হ'লে বৃত্ত বুলি কোৱা হয়।

২৯ নং শ্লোক - স্তম্ভ এটা ন ভাগ কৰিলে একেবাৰে তলৰ ভাগৰ নাম বহন, ইয়াৰ (বহনৰ) ওপৰৰ ভাগৰ নাম ঘট, (একেবাৰে ওপৰভাগৰ) অষ্টম অংশৰ নাম পদ্ম আৰু নৱম ভাগৰ নাম উত্তৰোষ্ঠ।

৩০ নং শ্লোক - স্তম্ভৰ বিস্তাৰৰ সমান হ'ব ঘৰ এটাৰ ভাৰ তুলাৰ ঘনত্ব, ইয়াৰ

(ভাৰতুলাৰ) ওপৰত থকা তুলাসমূহৰ ঘনত্ব হ'ব ক্ৰমে পূৰ্বৰ তুলাৰ পৰা চাৰিভাগৰ এভাগকৈ কমিব।

৩১ নং শ্লোক - যিবোৰ বাস্তুৰ চাৰিওফালে অখণ্ডিত বাৰান্দা থাকে সেই বাস্তুৰ নাম সৰ্বতোভদ্ৰ। চাৰিওদিশে দৰ্জা থকা এই বাস্তু ৰজা তথা দেৱতাসকলৰ বাবে মংগলজনক।

৩২ নং শ্লোক - কোঠালীৰ বেৰৰ পৰা আৰম্ভ হোৱা প্ৰদক্ষিণ ক্ৰমানুসৰি বাৰান্দা থাকিলে তাক নন্দ্যাবৰ্ত বাস্তু বুলি কোৱা হয়। এনেধৰণৰ বাস্তুত পশ্চিম দিশৰ দুৱাৰ নাথাকে। আনহাতে আন তিনিও দিশত দুৱাৰ থকা উচিত।

৩৩ নং শ্লোক - মূল গৃহৰ দুৱাৰৰ পৰা আৰম্ভ হোৱা বাৰান্দাৰ সৈতে (ক্ৰমে) প্ৰদক্ষিণ ক্ৰমত অন দুখন বাৰান্দা (২ য় আৰু ৩ য় বাৰান্দা) থাকিলে সেই বাস্তু শুভ হয় আৰু (সেই বাস্তুৰ) নাম বৰ্ধমান হয়। এই বাস্তুৰ দক্ষিণ দিশৰ দুৱাৰ নাথাকে।

৩৪ নং শ্লোক - স্বস্তি নামৰ বাস্তুত পশ্চিম দিশৰ পৰা বাৰান্দা আৰম্ভ হয়, তাৰ পৰা অন্য দুখন বাৰান্দা পূবদিশত সংলগ্ন হয়। অন্য এখন বাৰান্দা অৰ্থাৎ চতুৰ্থখন বাৰান্দা দুয়োখন বাৰান্দাৰ মাজত অৱস্থিত। এই বাস্তুৰ পূব দিশত দুৱাৰ থাকিলে শুভ হয়।

৩৫ নং শ্লোক - ৰুচক নামৰ বাস্তুত পূব আৰু পশ্চিম দিশৰ বাৰান্দা দুখন (ক্ৰমে) দক্ষিণ আৰু উত্তৰ দিশৰ লগত সংলগ্ন। অন্য দুখন বাৰান্দা এই দুয়োখন বাৰান্দাৰ মাজত অৱস্থিত। এই বাস্তুত উত্তৰ দিশৰ দুৱাৰ থাকিলে শুভ নহয়। বাকী দিশত দুৱাৰ থাকিলে শুভ।

৩৬ নং শ্লোক - নন্দ্যাবৰ্ত আৰু বৰ্ধমান বাস্তু সকলোৰতকৈ শ্ৰেষ্ঠ; স্বস্তিক আৰু ৰুচক মধ্যম, বাকী থকা অৰ্থাৎ সৰ্বতোভদ্ৰ ৰজা, মন্ত্ৰী আদিৰ বাবে মংগলজনক।

৩৭ নং শ্লোক - উত্তৰ দিশে ঘৰ নথকা ত্ৰিশাল বাস্তুক হিৰণ্যনাভ বাস্তু বুলি কোৱা হয়। ই সৌভাগ্যজনক। পূব দিশে নাথাকিলে সুক্ষেত্ৰ বুলি কোৱা হয়। এই বাস্তু বৃদ্ধিকাৰক অৰ্থাৎ পুত্ৰ, ধন আদিৰ বৃদ্ধি হয়।

৩৮ নং শ্লোক - দক্ষিণ দিশে ঘৰ নথকা ত্ৰিশাল বাস্তুক চুল্লী বুলি কোৱা হয়। এই বাস্তু ধন নাশৰ কাৰক। পশ্চিম দিশত ঘৰ নাথাকিলে পক্ষঘ্ন বুলি কোৱা হয়। এই বাস্তু সন্তান ধ্বংসৰ কাৰক।

৩৯, ৪০, ৪১ নং শ্লোক - (দ্বিশাল বাস্তুৰ) পশ্চিম আৰু দক্ষিণ ঘৰ থাকিলে সিদ্ধাৰ্থ বুলি কোৱা হয়, পশ্চিম আৰু উত্তৰ দিশত গৃহ নিৰ্মাণ কৰিলে যমসূৰ্য্য, উত্তৰ আৰু পূব দিশত (গৃহ নিৰ্মাণ) কৰিলে দণ্ড, পূব আৰু দক্ষিণ

দিশত (ঘৰ থাকিলে) বাত, পূব আৰু পশ্চিম দিশত ঘৰ থাকিলে গৃহচুল্লী, দক্ষিণ আৰু উত্তৰ দিশত থাকিলে কাচ বুলি কোৱা হয়। সিদ্ধার্থ নামৰ বাস্তুত বাস কৰিলে অর্থ প্রাপ্তি, যমসূর্য্যত ঘৰৰ গৰাকীৰ মৃত্যু, দণ্ডত ঘৰৰ গৰাকীৰ দণ্ড, বাতত সদায়েই কাজিয়া আৰু মানসিক অশান্তি হয়, চুল্লীত অর্থহানি, কাচত আত্মীয়স্বজনৰ লগত বিৰোধ হয় বুলি ধাৰণা কৰা হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১৪ ঃ ঘৰৰ উচ্চতা কিমান হ'ব লাগে?

.....

প্রশ্ন নং ১৫ ঃ ব্রাহ্মণ আদি চাৰি বর্ণৰ ঘৰৰ দুৱাৰৰ উচ্চতা কেনেদৰে নির্ণয় কৰা হয়?

.....

প্রশ্ন নং ১৬ ঃ স্তম্ভ কেইপ্রকাৰৰ আৰু কি কি?

.....

প্রশ্ন নং ১৭ ঃ ভাৰতুলা কাক বোলে?

.....

প্রশ্ন নং ১৮ ঃ নন্দ্যাবর্ত বাস্তু কাক বোলে লিখক।

.....

প্রশ্ন নং ১৯ ঃ ৰজা আৰু দেৱতাসকলৰ বাবে কেনেধৰণৰ বাস্তু মংগলজনক?

.....

প্রশ্ন নং ২০ ঃ হিৰণ্যনাভ বাস্তু কাক বোলে?

.....

প্রশ্ন নং ২১ ঃ চুল্লী নামৰ বাস্তুত বাস কৰিলে কি অপকাৰ হয় লিখক।

.....

১০.৪ ব্যাখ্যা

এই অংশত আপুনি বৃহৎসংহিতা বাস্তুবিদ্যাধ্যায়ৰ ২২-৪১ শ্লোকৰ ভিতৰৰে কিছুমান গুৰুত্বপূর্ণ শ্লোকৰ ব্যাখ্যা অধ্যয়ন কৰিব পাৰিব।

২৪ নং শ্লোক —

একাদশ ভাগযুতঃ..... দ্বাৰস্যার্ধেন বিষ্কম্ভঃ।

উক্ত শ্লোকফাকি বৰাহমিহিৰ প্রণীত বৃহৎসংহিতাৰ 'বাস্তুবিদ্যা' নামৰ অধ্যায়ৰপৰা উদ্ধৃত কৰা হৈছে।

চাতুৰ্বৰ্ণ্য অৰ্থাৎ ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য, শূদ্ৰক বাদ দি ৰজা, মন্ত্ৰী আদিৰ ঘৰৰ দৰজাৰ উচ্চতা আৰু বিস্তাৰৰ জোখ উক্ত শ্লোকফাকিৰ জৰিয়তে বৰ্ণনা কৰা হৈছে।

ৰজা, মন্ত্ৰী, সেনাপতি আদিৰ ঘৰৰ বিস্তাৰৰ লগত বিস্তাৰৰ এঘাৰ ভাগৰ এভাগৰ লগত সত্তৰ যোগ কৰিলে যিটো সংখ্যা পোৱা যাব সিমান সংখ্যক আঙুলিয়েই হ'ল ঘৰৰ দুৱাৰৰ উচ্চতা। এই উচ্চতাৰ আধা হ'ব দুৱাৰৰ বিস্তাৰ।

উদাহৰণস্বৰূপে ৰজা এগৰাকীৰ উত্তম গৃহৰ বিস্তাৰ হ'ল ১০৮ হাত। গতিকে সেই গৃহৰ দুৱাৰৰ উচ্চতা হ'ব— $১০৮+\frac{১০৮}{১১}+৭০=১৮৭\frac{৯}{১১}$ হাত। এই ১৮৮ হাতৰ সমান সংখ্যক ১৮৮ আঙুলি হ'ব ৰজা এগৰাকীৰ উত্তম গৃহৰ দুৱাৰৰ উচ্চতা। আনহাতে সেই দুৱাৰৰ বিস্তাৰ হ'ব উচ্চতাৰ আধা— $\frac{১৮৮}{২}=৯৪$ আঙুলি। অৱশ্যে দুৱাৰৰ উচ্চতা তথা বিস্তাৰ উলিওৱা পদ্ধতি চাৰ্তুবৰ্ণ্যৰ গৃহৰ দুৱাৰৰ উচ্চতা আৰু বিস্তাৰ উলিওৱা পদ্ধতিত প্ৰয়োগ কৰা নহয়।

৩০ নং শ্লোক —

স্তম্ভসমং বাহুল্যং ..... পাদেন পাদেন।।

উক্ত শ্লোক ফাকি বৰাহমিহিৰ বিৰচিত বৃহৎসংহিতাৰ 'বাস্তুবিদ্যা' নামৰ অধ্যায়ৰপৰা উদ্ধৃত কৰা হৈছে।

ঘৰ এটাৰ মূল স্তম্ভৰ ওপৰত পথালিকৈ ভাৰতুলা, তুলা আদি লোহা আদিৰে নিৰ্মাণ কৰা হয়। এই ভাৰতুলা, তুলা আদিৰ ডাঠ বা মোটা কিমান হ'ব লাগে তাৰ বৰ্ণনা উক্ত শ্লোকফাকিত দিয়া হৈছে।

ঘৰ এটা নিৰ্মাণ কৰিবলৈ হ'লে থিয় স্তম্ভৰ ওপৰত পথালিকৈও বিভিন্ন প্ৰকাৰৰ স্তম্ভ নিৰ্মাণ কৰিবলগীয়া হয়। এই স্তম্ভসমূহ (Beam) কাঠৰো হ'ব পাৰে, লোহাৰো হ'ব পাৰে। থিয় স্তম্ভৰ ওপৰত দিয়া পথালি স্তম্ভৰ নাম হ'ল ভাৰতুলা। ভাৰতুলাৰ ওপৰত যদি আৱশ্যক অনুযায়ী আৰু স্তম্ভ নিৰ্মাণ কৰিবলগীয়া হয় তেন্তে সেই স্তম্ভৰ নাম হয় ক্ৰমে উপতুলা, তুলা ইত্যাদি। বৰাহমিহিৰৰ মতে ভাৰতুলা আৰু মুখ্য স্তম্ভ একে সমান ডাঠ বা মোটা হ'ব লাগে। উপতুলা, তুলা আদি ক্ৰমে পূৰ্বতকৈ চাৰি আগৰ তিনি অংশকৈ কমিব। উদাহৰণস্বৰূপে ৰজা এগৰাকীৰ উত্তম গৃহৰ মূল স্তম্ভৰ ২৮ আঙুলি ডাঠ। গতিকে ভাৰতুলাও ২৯ আঙুলি ডাঠকৈ নিৰ্মাণ কৰিব লাগিব। উপতুলা হ'ব— $২৯\times\frac{৩}{৪}=$ প্ৰায় ২১ আঙুলি ডাঠ। তুলা— $২৯\times\frac{৩}{৪}\times\frac{৩}{৪}$ ইত্যাদি। এই প্ৰসংগত মৎস্যপুৰাণত বৰ্ণনা কৰা আছে—

স্তম্ভতুল্যা তুলা প্ৰোক্তা হীনাশ্চোপতুলা ততঃ।
ত্ৰিভাগেনেহ সৰ্ব্বত্ৰ চতুৰ্ভাগেন ৰা পুনঃ।।
হীনং হীনং ৰতুৰ্বাশাত্তয়া সৰ্ব্বাসু ভূমিষু।।

আনহাতে ভট্টোৎপলে কৈছে—

"ভাৰতুলায়া উপৰি যদন্যৎ কাষ্ঠং দীয়তে তত্তুলোপ—তুলাসংজ্ঞম্।"

"ৱীপ্সাকৰণাৎ কেচিচ্চতস্ৰ ইতি বৰ্ধয়ন্তি। ভাৰতুলা উপতুলা তুলোপতুলা চেতি।"

৩৭ নং শ্লোক —

উত্তৰশালাহীনং হিৰণ্যনাভং..... সুক্ষেত্রং বৃদ্ধিদং ৱাস্তু।

বৰাহমিহিৰ প্রণীত বৃহৎসংহিতা গ্রন্থৰ 'বাস্তুবিদ্যা' নামৰ অধ্যায়ৰপৰা আলোচ্য শ্লোকটি উদ্ধৃত হৈছে। হিৰণ্যনাভ আৰু সুক্ষেত্র নামৰ ত্রিশাল বাস্তুৰ লক্ষণ উক্ত শ্লোকটিত অৱতাৰণা কৰা হৈছে।

বাস্তুশাস্ত্রত চাৰিপ্রকাৰৰ ত্রিশাল বাস্তুৰ বিষয়ে বর্ণনা কৰা হৈছে। সেইকেইটা হ'ল— হিৰণ্যনাভ, সুক্ষেত্র, চুল্লী আৰু পক্ষঘ্ন। উদ্ধৃত শ্লোকফাকিত হিৰণ্যনাভ আৰু সুক্ষেত্র নামৰ ত্রিশাল বাস্তুৰ কথা বর্ণনা কৰা হৈছে। কোনো স্থানৰ তিনিটা দিশত ঘৰ নির্মাণ কৰিলে সেই ঘৰক ত্রিশাল বাস্তু বুলি কোৱা হয়। অর্থাৎ ত্রিশাল বাস্তুৰ এটা দিশত ঘৰ নাথাকে। যি ঘৰত উত্তৰ দিশে কোনো ঘৰ নাথাকে সেই ত্রিশাল বাস্তুক হিৰণ্যনাভ বুলি কোৱা হয়। বাস্তুশাস্ত্রকাৰ সকলৰ মতে হিৰণ্যনাভ বুলি কোৱা হয়। সকলো প্রকাৰৰ ত্রিশাল বাস্তুৰ ভিতৰত হিৰণ্যনাভ শ্রেষ্ঠ। এই বাস্তু সৌভাগ্যবর্ধনকাৰী, মংগলজনক। আনহাতে যিবোৰ ঘৰৰ পূব দিশত কোনো ঘৰ নাথাকে। সেই ত্রিশাল বাস্তুক সুক্ষেত্র বুলি কোৱা হয়। এই বাস্তুত বাস কৰিলে পুত্র, ধন, জন আদিৰ বৃদ্ধি হয় বুলি বাস্তুশাস্ত্রকাৰসকলে মত পোষণ কৰে। ত্রিশাল বাস্তুত বাৰান্দা নির্মাণ কৰিব লাগে নে নালাগে তাৰ কোনো নির্দিষ্ট নিয়ম বাস্তুশাস্ত্রত উল্লেখ কৰা নাই। নির্দিষ্ট একোটা দিশত মুকলি স্থান অথবা চোতাল যে ৰাখিব লাগে তাৰ বিষয়েহে বাস্তুশাস্ত্রত উল্লেখ কৰা আছে। এই সন্দর্ভত 'কিৰণাখ্যতন্ত্র'ত কৈছে—

শস্তং হিৰণ্যনাভাখ্যং হীনং চোত্তৰশালয়া।
সুক্ষেত্র পূর্বতো হীনং শালয়া বৃদ্ধিদং মতম্।।

৪১ নং শ্লোক —

দণ্ডবধো দণ্ডাখ্যে ..... জ্ঞাতিবিৰোধঃ স্মৃতঃ কাচে।।

বৰাহমিহিৰ প্রণীত বৃহৎসংহিতা গ্রন্থৰ 'বাস্তুবিদ্যা' নামৰ অধ্যায়ৰপৰা আলোচ্য শোকটি উদ্ধৃত হৈছে। দণ্ড, বাত আৰু কাচ নামৰ দ্বিশাল বাস্তুত বাস কৰিলে গৃহস্থৰ কি কি অমংগল হয় তাৰ বিষয়ে উক্ত শ্লোকফাকিত বর্ণনা কৰা হৈছে। 'দণ্ড' নামৰ বাস্তুত উত্তৰ আৰু পূব দিশত ঘৰ থাকে। বাকী দুটা দিশত নাথাকে। এই বাস্তুত বাস কৰিলে গৃহস্থৰ দণ্ড বা মৃত্যু ভয় থাকে। যিবিলাক দ্বিশাল বাস্তুৰ কেৱল পূব আৰু দক্ষিণ দিশত ঘৰ থাকে সেই বাস্তুক 'বাত' বুলি কোৱা হয়। এই বাস্তুত বাস কৰিলে গৃহস্থৰ জীৱন সদায়েই কাজিয়া-পেচাল, মানসিক অশান্তিত পাৰ হয়। আনহাতে যিবিলাক দ্বিশাল বাস্তু পূব আৰু পশ্চিম দিশত ঘৰ থাকে সেই বাস্তুক 'চুল্লী' বুলি কোৱা হয়। এনেধৰণৰ বাস্তুত বাস কৰিলে গৃহস্থৰ ধন নাশ হয়। 'কাচ' নামৰ বিশাল বাস্তুৰ দক্ষিণ আৰু উত্তৰ দিশত ঘৰ থাকে। এই বাস্তুত বাস কৰোতাসকলৰ আত্মীয়-স্বজন তথা বন্ধু বিৰোধ হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২২ ঃ চাৰ্তুবৰ্ণ্য শব্দটোৱে কি বুজায় লিখক।

.....

প্রশ্ন নং ২৩ ঃ ত্রিশাল বাস্তু কেই প্রকাৰৰ আৰু কি কি?

.....

প্রশ্ন নং ২৪ ঃ সকলোপ্রকাৰৰ ত্রিশাল বাস্তুৰ ভিতৰত কোনবিধ শ্রেষ্ঠ বাস্তু?

.....

প্রশ্ন নং ২৫ ঃ দ্বিশাল বাস্তু কেইপ্রকাৰৰ লিখক।

.....



১০.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো ঃ

- বৃহৎসংহিতাৰ বাস্তুবিদ্যাধ্যায়ৰ ২২-৪১ শ্লোকসমূহৰ সংস্কৃত পাঠ জানিলে।
- শ্লোকসমূহৰ গদ্যৰূপ জানিলে।
- শ্লোকসমূহত থকা শব্দবোৰৰ অসমীয়া শব্দার্থ জানিলে।
- শ্লোকসমূহৰ অসমীয়া অনুবাদ জানিব পাৰিলে।
- কেইটামান শ্লোকৰ ব্যাখ্যা আৰ্হি হিচাবে লাভ কৰিলে।



১০.৬ অধিক জানিবলৈ

১) *Varahamihira's BRHATSAMHITA* (Vol.1)ed. by M. Ramakrishna Bhat, MLBD, Delhi, 1981.

২) *Brhatsamhita* (Vol.I), ed by Sadananda Shukla, (Hindi transs.), Bharatiya Vidya Sansthan, Varanari, 2011.

৩) *Brhatsamihita* (Vol I & II) ed. by Surakanta Jha (Hindi trans)

Chewkhamba Sanskrit Series, Varanasi, 2011.

৪) *সংস্কৃত সাহিত্যৰ ইতিবৃত্ত*, ড° থানেশ্বৰ শর্মা, চন্দ্র প্রকাশ, পাণবজাৰ, গুৱাহাটী, ২০১৫।

১০.৭ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ ঘৰ এটাৰ বিস্তাৰ যিমান হাত, তাৰ ষোল্ল ভাগৰ এক অংশৰ লগত চাৰি হাত যোগ কৰিলে যিমান হাত হ'ব সেয়াই হ'ব লাগে ঘৰৰ উচ্চতা। [উদাহৰণ— ৰজাৰ ঘৰৰ উচ্চতা $\frac{১০৮}{১৬}+৪=১০$ হাত ১৮ আঙুলি]

২ নং প্রশ্নৰ উত্তৰ ঃ ঘৰ এটাৰ বিস্তাৰ যিমান হাত, তাৰ পাঁচ ভাগৰ এক অংশৰ লগত ওঠৰ আঙুলি যোগ কৰিলে যি যোগফল হ'ব, তাৰ লগত তাৰ অষ্টমাংশ যোগ কৰিলে সেই ঘৰৰ দুৱাৰৰ বিস্তাৰ হ'ব। বিস্তাৰক তিনি গুণ কৰিলে দুৱাৰৰ উচ্চতা নির্ণয় হ'ব। [অৱশ্যে এই উচ্চতাৰ জোখ আঙুলিত হ'ব]

৩ নং প্রশ্নৰ উত্তৰ ঃ স্তম্ভ পাঁচ প্রকাৰৰ — ৰুচক, বজ্র, দ্বিবজ্র, প্রলীনক আৰু বৃত্ত।

৪ নং প্রশ্নৰ উত্তৰ ঃ মূল স্তম্ভৰ ওপৰত স্তম্ভৰ সমানে ডাঠ কাঠৰ বা লোহাৰ স্তম্ভ (Beam) দিয়া হয়। ইয়াকে ভাৰতুলা বোলে।

৫ নং প্রশ্নৰ উত্তৰ ঃ মূল ঘৰ বা কোঠালীৰ বেৰৰ পৰা আৰম্ভ হোৱা প্রদক্ষিণ ক্রমত বাৰান্দা থাকিলে সেই বাস্তুক নন্দ্যাবর্ত বাস্তু বোলে।

৬ নং প্রশ্নৰ উত্তৰ ঃ সর্বতোভদ্র বাস্তু।

৭ নং প্রশ্নৰ উত্তৰ ঃ যিবোৰ ত্রিশাল বাস্তুৰ উত্তৰ দিশত কোনো ঘৰ নাথাকে অর্থাৎ মুকলি হৈ থাকে সেই বাস্তুক হিৰণ্যনাভ বাস্তু বোলে।

৮ নং প্রশ্নৰ উত্তৰ ঃ অর্থ হানি হয়।

৯ নং প্রশ্নৰ উত্তৰ ঃ ব্রাহ্মণ, ক্ষত্রিয়, বৈশ্য আৰু শূদ্রক চার্তুবর্ণ্য বুলি কয়।

১০ নং প্রশ্নৰ উত্তৰ ঃ ত্রিশাল বাস্তু চাৰি প্রকাৰৰ — হিৰণ্যনাভ, সুক্ষেত্র, চুল্লী আৰু পক্ষঘ্ন।

১১ নং প্রশ্নৰ উত্তৰ ঃ হিৰণ্যনাভ বাস্তু।

১২ নং প্রশ্নৰ উত্তৰ ঃ দ্বিশাল বাস্তু ছয় প্রকাৰৰ— সিদ্ধার্থ, যমসূর্য্য, দণ্ড, বাত, গৃহচুল্লী, কাচ।



১০.৮ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৫০ টা শব্দৰ ভিতৰত)

প্ৰশ্ন ১ ঃ চমুটোকা লিখক—

সৰ্বতোভদ্ৰ বাস্তু, হিৰণ্যনাভ বাস্তু, নন্দ্যাবৰ্ত বাস্তু

খ) চমু প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ১৫০ শব্দৰ ভিতৰত)

প্ৰশ্ন ১ ঃ দ্বিশাল বাস্তুৰ বিষয়ে চমুকৈ লিখক।

প্ৰশ্ন ২ ঃ ত্ৰিশাল বাস্তুৰ বৰ্ণনা দাঙি ধৰক।

গ) ৰচনাধৰ্মী প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৩০০-৫০০ শব্দৰ ভিতৰত)

প্ৰশ্ন ১ ঃ বৃহৎসংহিতা গ্ৰন্থৰ বাস্তুবিদ্যা নামৰ অধ্যায়ৰ (২২-৪১) শ্লোকসমূহৰ সাৰাংশ লিখক।

*** ***** ***